অসম

# ভূমি পট্টা আৰু জনজাতি মর্যাদাৰ দাবীত আটছাৰ ৰাজ্যজুৰি তিনিঘণ্টীয়া বিক্ষোভ

ভূমি পট্টা, জনজাতিৰ মর্যাদা আৰু দৈনিক মজুৰি বৃদ্ধিৰ দাবীত বৃহস্পতিবাৰে ৰাজ্যজুৰি তিনিঘণ্টীয়া অৱস্থান ধর্মঘট কৰে আটছাই।

প্রকাশ: ১২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৫১




ATTSA stages statewide protests over land, ST status and wages (NewzNow)

গুৱাহাটী, ১২ নৱেম্বৰ: চাহ জনগোষ্ঠীৰ ভূমি পট্টা, জনজাতিৰ মর্যাদা আৰু দৈনিক মজুৰি বৃদ্ধিকে ধৰি দীর্ঘদিনীয়া দাবীসমূহ শীঘ্রে পূৰণৰ দাবীত বৃহস্পতিবাৰে ৰাজ্যজুৰি তিনিঘণ্টীয়া অৱস্থান ধর্মঘট কৰে অসম চাহ জনজাতি ছাত্র সস্থাই।

বিভিন্ন জিলাত শতাধিক প্রতিবাদকাৰীয়ে ৰাজপথলৈ ওলাই ‘আমাক ভূমি পট্টা লাগে’, ‘আটছা জিন্দাবাদ’ আদি শ্লোগান দিয়ে। তেওঁলোকৰ হাতত ‘আমাৰ দাবী মানি লওক’ লিখা প্লেকার্ডো দেখা যায়।

১৩ নৱেম্বৰত মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাৰ বিশ্বনাথ জিলা ভ্রমণৰ পূর্বে বিশ্বনাথ ৰাজহ চক্র কার্যালয়ৰ সন্মুখত প্রতিবাদ সাব্যস্ত কৰে সংগঠনটোৱে। শদিয়া উপ-জিলা আয়ুক্তৰ কার্যালয়ৰ সন্মুখতো আটছাৰ তলাপ শাখা সমিতিয়ে একেধৰণৰ প্রতিবাদ কৰে।

প্রতিবাদকাৰীসকলে অভিযোগ কৰে যে, প্রধানমন্ত্রী নৰেন্দ্র মোদী আৰু মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই চাহ শ্রমিকসকলক ভূমি পট্টা, মজুৰি বৃদ্ধি আৰু জনজাতিৰ মর্যাদা দিয়াৰ আশ্বাস দিছিল। কিন্তু বছৰ পাৰ হোৱাৰ

পিছতো এই আশ্বাসসমূহ কার্যকৰী হোৱা নাই বুলি তেওঁলোকে কয়।

নির্বাচনৰ পূর্বে বিজেপি চৰকাৰে চাহ শ্রমিকসকলক ভূমি পট্টা দিয়াৰ প্রতিশ্রুতি দিছিল। আমি সেই প্রতিশ্রুতিত বিশ্বাস কৰিছিলোঁ, কিন্তু আমাৰ দীর্ঘদিনীয়া দাবী এতিয়াও পূৰণ নহ'ল। আমাৰ প্রাপ্য মর্যাদা আৰু স্বীকৃতিও দিয়া হোৱা নাই বুলি এগৰাকী প্রতিবাদকাৰীয়ে কয়।

আটছাৰ কেন্দ্রীয় কার্যনির্বাহক সদস্য তথা সদিয়াৰ ৰমেন দাসে কয় যে, মজুৰি, ভূমিৰ অধিকাৰ আৰু জনজাতিৰ মর্যাদাৰ প্রতিশ্রুতি পূৰণৰ বাবে চাহ জনগোষ্ঠীয়ে বছৰ বছৰ ধৰি অপেক্ষা কৰি আছে। দাবীসমূহ শীঘ্রে পূৰণ নহ'লে অসমৰ বাহিৰলৈ দিছপুৰ আৰু দিল্লীলৈকে আন্দোলন সম্প্রসাৰণ কৰিবলৈ বাধ্য হ'ব বুলি তেওঁ সকীয়াই দিয়ে।

---

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2359/attsa-land-patta-st-status-protest-assam